জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৯/২০২২**

# যশস্বী অভিনেতা নিপন গোস্বামী, প্ৰথিতযশা চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ বাসগৃহত উপস্থিত হৈ প্ৰয়াত শিল্পীদুগৰাকীলৈ শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰীৰ

## স্বনামধন্য অভিনেতা নিপন গোস্বামীৰ সৈতে শৈশৱত কৰা অভিনয়ৰ স্মৃতি ৰোমন্থন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমীয়া ছবি জগতৰ স্বনামধন্য অভিনেতা সদ্যপ্ৰয়াত নিপন গোস্বামী আৰু প্ৰথিতযশা চিত্ৰশিল্পী সদ্যপ্ৰয়াত নীলপৱন বৰুৱাৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি যশস্বী অভিনেতা নিপন গোস্বামীৰ গুৱাহাটীৰ শিলপুখুৰীস্থিত বাসগৃহত উপস্থিত হৈ তেখেতৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। বহু কেইখন অসমীয়া চলচ্চিত্ৰত হৃদয়স্পৰ্শী আৰু মননশীল চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল এই অভিনেতাগৰাকীয়ে। শৈশৱৰে পৰা নিবিড় সম্পৰ্ক থকা প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই তেখেতৰ সৈতে কটোৱা সময়ৰ স্মৃতি ৰোমন্থন কৰে। আজি সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে 'নিপন দাৰ লগত সৰুতে মই 'ককাদেউতা নাতি আৰু হাতী' চলচ্চিত্ৰত অভিনয় কৰিছিলোঁ আৰু সেই সময়ত নিপন দাৰ সৈতে প্ৰায় এমাহ নগাঁৱত একেলগে আছিলো। কামপুৰত শ্বুটিং হৈছিল। গতিকে তেখেতৰ লগত শৈশৱৰে পৰা এক অত্যন্ত মধুৰ সম্পৰ্ক আছিল। মৃত্যুৰ পূৰ্বেও তেখেত মোৰ তাত আহিছিল, বিশেষ কিছুমান কথা আলোচনা কৰিছিলো আৰু মই ভাবো যে অসমৰ ৰাইজে এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন অভিনেতাক হেৰুৱালে। বিশেষকৈ যি ধৰণে নিপন গোস্বামী, বিজু ফুকনক আমাৰ প্ৰজন্মটোৱে জানিছিল আৰু তেওঁলোকৰ ইমান প্ৰতিভা আছিল। হয়তো সেই সময়ত ভাল সুযোগ-সুবিধা পালে তেখেতসকলে অসমৰ পৰিৱেশেই সলনি কৰিলে হয়। আজি ভাল পৰিৱেশ আহিছে। আগতে সেই পৰিৱেশ নাছিল। তেখেতৰ বিয়োগত জাতিৰ এটা অপূৰণীয় ক্ষতি হ'ল।'

ইয়াৰ পূৰ্বে, প্ৰথিতযশা চিত্ৰশিল্পী, 'অসম সৌৰভ' বঁটা প্ৰাপক নীলপৱন বৰুৱাৰ গুৱাহাটীৰ বেলতলাৰ সৌৰভ নগৰস্থিত বাসগৃহত উপস্থিত হৈ আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেখেতৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে। শুকুৰবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰা এইগৰাকী চিত্ৰশিল্পীয়ে নিৰলস সাধনাৰে বিগত কেইবাদশক ধৰি অসমৰ কলাৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি আহিছিল। তেখেতৰ অৱদান স্মৰণীয় হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়।

**হেংশঃ**
**১/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in